**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***

## Headlines

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে আজি গুৱাহাটীত উপস্থিত হ'ব।

২। প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপি নেতা ৰাজনাথ সিঙে কৈছে যে, প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ভাৰতে সকলো দিশতেই বিশ্বৰ এখন শক্তিশালী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে।

৩। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই আজি নাগালেণ্ডৰ ডিমাপুৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

৪। ওড়িশাৰ জয়পুৰত সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ৫জন লোক নিহত হৈছে।

*আৰু*

৫। চানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক ২৫ ৰানত পৰাস্ত কৰে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অসমত বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে আজি সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব। বৰঝাৰ বিমান বন্দৰৰ পৰা কইনাধৰালৈ যাত্ৰা কৰাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনাব। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ কেইবাটাও পথত বাণিজ্যিক যান-বাহন চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তেওঁ কাইলৈ বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

এই কাৰ্যসূচীক কেন্দ্ৰ কৰি নলবাৰী জিলাত ব্যাপক প্ৰস্তুতি অব্যাহত আছে।

ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ১৮ এপ্ৰিলত কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা আছে। তেওঁ বিজেপি মিত্ৰজোঁটৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি যোৰহাটত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা আছে। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইপিনে, ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে কালি মাকুমত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শ্ৰীসোণোৱালে ডিগবৈৰ বৰবিল হনুমান মন্দিৰৰ পৰা গান্ধী ময়দানলৈ এটা পদযাত্ৰাতো

অংশ লয়। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ কালি হোজাইৰ লামডিঙত এখন জনসভাত অংশগ্ৰহণ কৰে। তেওঁ শোণিতপুৰৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিত দত্তৰ হৈও তেজপুৰত ৰোড শ্ব'ত অংশ লয়।

আনহাতে, কংগ্ৰেছ তথা বিৰোধী দলৰ প্ৰাৰ্থীসকলেও নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। যোৰহাট সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে কালি তিতাবৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

ডিব্ৰুগড় সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে কালি তিনিচুকীয়াৰ কেইবাটাও স্থানত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই কালি ধুবুৰী সমষ্টিৰ প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ মানকাচৰত প্ৰচাৰ চলায়।

০০০০০০০

অসমৰ মৰিগাঁও জিলাত ভোটদাতা ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে জিলা প্ৰসাশনে আকৰ্ষণীয় মুকাভিনয় ভিডিঅ' মুকলি কৰিছে। এই ভিডিঅ'ৰ জৰিয়তে বিশিষ্ট মুকাভিনয় শিল্পী তথা সংগীত নাটক অকাডেমী বঁটা প্ৰাপক মইনুল হকে মৌনতাৰ ভাষাৰে ভোটদানৰ বাৰ্তা প্ৰেৰণ কৰিছে। ইপিনে জিলাখনৰ ৬টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰত **চুনাৱ কা পৰ্ব** উদযাপন কৰা হৈছে। জিলাখনত **অমূল্য ককাইদেউৰ নিৰ্বাচনী বিধান আৰু নিৰ্বাচনী বিহু** নামেৰে এলানি ফে'চবুক চিৰিজো মুকলি কৰি হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰীয়ে আজি এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত বিহাৰৰ গয়া আৰু পুৰ্নিয়াত দুখন জনসভা সম্বোধন কৰিব। ইয়াৰে প্ৰথমখন সভা গয়া লোকসভা সমষ্টিৰ গান্ধী মৈদানত আৰু দ্বিতীয়খন সভা পুৰ্নিয়াৰ ৰংভূমি মৈদানত আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি দুয়ো ঠাইতে বিশেষ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পাছত এয়া হ'ব শ্ৰী মোদীৰ তৃতীয়টো বিহাৰ ভ্ৰমণ। ইয়াৰ আগেয়ে চলিত মাহতে প্ৰধানমন্ত্ৰীগৰাকীয়ে জামুই আৰু নাৱাডা লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছিল।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি তামিলনাডুৰ এখন ৰাজহুৱা সভাত ভাষণ দিব। শ্ৰী সিঙে ৰাজ্যখনৰ কৃষ্ণগিৰী আৰু থিৰুৱান্নামালাইত হ'বলগীয়া ৰোড শ্ব'তো অংশগ্ৰহণ কৰিব। তামিলনাডুৰ ৩৯ টা সমষ্টিত অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইপিনে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কালি জম্মুৰ কাঠুৱা জিলাত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সকলো দিশতেই বিশ্বৰ এখন শক্তিশালী দেশ হিচাপে আত্মপ্ৰকাশ কৰিছে। উধমপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ড০ জিতেন্দ্ৰ সিঙৰ হৈ এই প্ৰচাৰ সভাখনত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশে সাফল্যৰ নতুন শিখৰ স্পৰ্শ কৰা বুলি উল্লেখ কৰে। সামৰিক দিশত ভাৰত বিশ্বৰ ভিতৰত অন্যতম শক্তিশালী বুলিও তেওঁ উল্লেখ কৰে। নেচনেল কনফাৰেন্স আৰু পি ডি পিৰ লেখীয়া আঞ্চলিক দলসমূহৰ লগতে আনকি কংগ্ৰেছেও ৰাজনৈতিক স্বাৰ্থ পুৰণৰ বাবে ৩৭০ নম্বৰ অনুচ্ছেদৰ

অপব্যৱহাৰ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে। তিনি কোটি লাখ পতি বেহনজী সৃষ্টিৰ লগতে বিজেপিয়ে মহিলাৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই আজি নাগালেণ্ডৰ ডিমাপুৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। সভাখন দিনৰ ১২ বজাত আৰম্ভ হ'ব। ক'হিমাৰ কংগ্ৰেছ ভৱনত আয়োজিত এখন সংবাদ মেলত কালি নাগালেণ্ড, মণিপুৰ, ছিকিম আৰু ত্ৰিপুৰাৰ অল ইণ্ডিয়া কংগ্ৰেছ কমিতি, এ আই চি চিৰ দায়িত্বৱাহী গিৰিশ চোদনকাৰে  অধ্যক্ষগৰাকীৰ প্ৰচাৰ সভাৰ বিষয়ে অৱগত কৰে। জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মিছা প্ৰতিশ্ৰুতিসমূহত আৰু বিশ্বাস নকৰে বুলি উল্লেখ কৰি তেওঁ দেশৰ জনসাধাৰণৰ মানসিকতা ক্ৰমে সলনি হোৱা বুলি দাবী কৰে। সমাগত নিৰ্বাচন দেশৰ ভৱিষ্যৎ ৰক্ষাৰ লগতে সংবিধানক সুৰক্ষা প্ৰদানৰ নিৰ্বাচন বুলি তেওঁ অভিহিত কৰে। এন ডি পি পি-বিজেপি মিত্ৰজোঁটৰ সমৰ্থকসকলে ভোটগ্ৰহণৰ দিনা ১২টা বিধানসভা সমষ্টিত বুথ অধিগ্ৰহণৰ বাবে প্ৰস্তুতি চলাই থকা বুলি তেওঁ অভিযোগ কৰে।

ৰাজ্যখনৰ একমাত্ৰ আসনখনৰ বাবে অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই আসনখনৰ বাবে তিনিগৰাকী প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ৰাজ্যখনত মুঠ ১৩ লাখ ১৭ হাজাৰ ৫৩৬ গৰাকী ভোটদাতা আছে।

০০০০০০০

ওড়িশাৰ জয়পুৰ জিলাত যোৱানিশা এখন যাত্ৰীবাহী বাছ দলঙৰ পৰা বাগৰি পৰাৰ ফলত এগৰাকী মহিলাসহ কমেও ৫জন লোকৰ প্ৰাণ হানি হোৱাৰ লগতে ৩৫ জন লোক আহত হয়। পুৰীৰ পৰা পশ্চিমবংগৰ হালদিয়ালৈ অহাৰ পথত ১৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাৰাবাতী দলঙত এই শোকাবহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত যাত্ৰীসকলক উন্নত চিকিৎসাৰ বাবে কটকৰ এছ চি বি চিকিৎসা মহাবিদ্যালয় আৰু হাস্পটালত ভৰ্তি কৰোৱা হৈছে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে বাছখনৰ চালকজনে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলতেই এই দুৰ্ঘটনাটো সংঘটিত হয়। ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কে ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ নিহতসকলৰ নিকট আত্মীয়লৈ ৩ লাখকৈ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে।

০০০০০০০

আহমদ আবদুল্লাহ অল-আহমদ অল-ছাবাহক কুৱেইটৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে। বিগত ৭ এপ্ৰিলত দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ মহম্মদ অল-ছালেম অল-ছাবাহে পদত্যাগ কৰাৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুনকৈ নিযুক্তি লাভ কৰা প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৯৯৯ৰ পৰা ২০05 চনলৈ দেশখনত বিত্ত আৰু যোগাযোগ মন্ত্ৰী হিচাপে কাম কৰাৰ লগতে ২০০৬ৰ পৰা ২০১১ চনলৈ স্বাস্থ্য, তেল আৰু তথ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০০

চানৰাইজাৰ্ছ হায়দৰাবাদে বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত যোৱা নিশা ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক ২৫ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। ২৮৮ ৰানৰ লক্ষ্যৰে খেল

আৰম্ভ কৰি বেংগালুৰু দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৬২ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ দিনেশ কাৰ্তিকে ৩৫ টা বলত সৰ্বাধিক ৮৩ ৰানৰ বৰঙণি আগবঢ়ায়। দলটোৰ অধিনায়ক ফাফ ডু প্লেছিছে ২৮ টা বলত ৬২ আৰু বিৰাট কোহলিয়ে ২০টা বলত ৪২ ৰান কৰে। হায়দৰাবাদৰ হৈ পেট কামিন্সে ৩টা, মায়ংক মাৰ্কাণ্ডে ২টা আৰু টি নটৰাজনে এটা উইকেট দখল কৰে। ইয়াৰ আগেয়ে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ২৮৭ ৰান কৰে। দলটোৰ হৈ ট্ৰেভিছ হেডে ৪১ টা বলত ১০২ ৰান কৰাৰ বিপৰীতে হেনৰিক ক্লাছেনে ৬৭ ৰানৰ বৰঙণি আগবঢ়ায়। দলটোৰ হৈ এইডেন মাৰক্ৰামে  ৩২ আৰু আব্দুল ছামাদে ৩৭ ৰান কৰে। বেংগালুৰুৰ লকী ফাৰ্গুচনে দুটা আৰু ৰিছ টপলিয়ে এটা উইকেট দখল কৰে। ট্ৰেভিছ হেডক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ পাছত হায়দৰাবাদ সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত থকাৰ বিপৰীতে বেংগালুৰু দশম স্থানত আছে। প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে বাংলাদেশৰ বিৰুদ্ধে ৫ খনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় মহিলা দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। হৰমন প্ৰীট কৌৰক অধিনায়ক আৰু স্মৃতি মান্ধানাক সহ-অধিনায়কৰ দায়িত্ব আৰ্পণ কৰা হৈছে। শেহতীয়া দুটা বছৰত এয়া হ'ব ভাৰতীয় দলৰ দ্বিতীয়টো বাংলাদেশ ভ্ৰমণ। বিগত বৰ্ষত ভাৰতীয় দলটোৱে বাংলাদেশৰ বিৰুদ্ধে তিনিখন টি-২০ খেলত অংশগ্ৰহণ কৰি ২-১ ব্যৱধানেৰে শৃংখলা হস্তগত কৰিছিল। এই শৃংখলাটোৱে সমাগত টি-২০ বিশ্বকাপৰ বাবে ভাৰতীয় দলৰ প্ৰস্তুতিত বিশেষ সহায় কৰিব বুলি আশা কৰা হৈছে। অহা ছেপ্তেম্বৰ-অক্টোবৰত বাংলাদেশত মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ভাৰত সম্প্ৰতি মহিলাৰ টি-২০ ৰেংকিঙত তৃতীয় স্থান থকাৰ বিপৰীতে বাংলাদেশ নৱম স্থান আছে। ভাৰতীয় দলটো ২৩ এপ্ৰিলত বাংলাদেশত উপস্থিত হ'ব। প্ৰতিযোগিতাৰ খেলকেইখন ২৮ এপ্ৰিল, ৩০ এপ্ৰিল, ২ মে', ৬ মে' আৰু ৯ মে'ত  অনুষ্ঠিত হ'ব।

০০০০০০০

**ঃ সমাপ্ত ঃ**